**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এংগোলা আৰু বটছ্ৱানা ভ্ৰমণসূচীৰে দেশখনলৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসীত চাৰিখন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

৩। প্ৰধানমন্ত্ৰীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ সৰ্বোচ্চ ন্যায়ালয়ত আইনী সহায় প্ৰদান ব্যৱস্থা সুদৃঢ়কৰণ সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

৪। চট্টিশগড়ত উদান্তি এৰিয়া কমিটী নামৰ মাওবাদী গোটটোৰ সকলো সক্ৰিয় সদস্যই আত্মসমৰ্পণ কৰিছে। ***আৰু***

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি ব্ৰীছ্‌বেনৰ গাববাত অনুষ্ঠিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এংগোলা আৰু বটছ্ৱানা ভ্ৰমণসূচীৰে দেশখনলৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমতী মুৰ্মু, এংগোলাৰ ৰাষ্ট্ৰপতি জ'ৱাও মেনুৱেল গনকাল্‌ভছ্‌ লৰেনক'ৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ যাব। উল্লেখযোগ্য যে এই বছৰ ভাৰত আৰু এংগোলাৰ কূটনৈতিক সম্পৰ্কৰ ৪০ বছৰ সম্পূৰ্ণ হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি মুৰ্মুৰে এংগোলাৰ ৰাষ্ট্ৰপতিৰ সৈতে কাইলৈ দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৰে ১১ নৱেম্বৰত ৰাষ্ট্ৰখনৰ ৫০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীতো ভাগ ল'ব। তেওঁ এংগোলাৰ সদনত ভাষণ দিয়াৰ লগতে দেশখনত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। ভাৰত আৰু এংগোলাৰ মাজত বন্ধুত্বপূৰ্ণ আৰু সহযোগিতামূলক সম্পৰ্ক আছে। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত বিভিন্ন খণ্ডত থকা দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰি পাৰস্পৰিক সহযোগিতাৰ দিশটো সুদৃঢ় কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মু অহা ১১ নৱেম্বৰত বটছ্ৱানালৈ যাব। এই ভ্ৰমণে বটছ্ৱানাৰ সৈতে থকা দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণকালত দেশখনৰ ৰাষ্ট্ৰপতি ডুমা গিডিয়ন বুকুনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ নেচনেল এছেম্বলিত ভাষণ দিব আৰু তাত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি সাংস্কৃতিক আৰু ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ঠাইসমূহ পৰিদৰ্শন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসীত চাৰিখন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই উপলক্ষে শ্ৰীমোদী কালি সন্ধিয়া তেওঁৰ সংসদীয় সমষ্টি বাৰাণসীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীক চহৰখনৰ জনসাধাৰণ তথা দলীয় কৰ্মকৰ্তাসকলে আদৰণি জনায়। আজি

শুভাৰম্ভ হ'বলগীয়া নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লকেইখন বানাৰস-খাজুৰাহু, লক্ষ্ণৌ-ছাহাৰণপুৰ, ফিৰোজপুৰ-দিল্লী আৰু এৰ্ণাকুলম-বেংগালুৰুৰ মাজত চলিব। এই ৰে'লকেইখনে যাত্ৰাৰ সময় হ্ৰাস কৰাৰ লগতে সমগ্ৰ দেশতে আঞ্চলিক যোগাযোগ বৃদ্ধি কৰিব আৰু পৰ্যটনৰ প্ৰসাৰ কৰিব।

বানাৰস-খাজুৰাহু বন্দে ভাৰত ৰে'লে এই ঠাই দুখনৰ মাজত পোনপটীয়া যোগাযোগ স্থাপনেৰে সম্প্ৰতি চলি থকা বিশেষ ৰে'লৰ তুলনাত দুঘণ্টা ৪০ মিনিট সময় ৰাহি কৰিব। এই ৰে'লখনে বাৰাণসী, প্ৰয়াগৰাজ, চিত্ৰকূট আৰু খাজুৰাহুকে ধৰি দেশৰ কেইবাখনো গুৰুত্বপূৰ্ণ আধ্যাত্মিক আৰু সাংস্কৃতিক স্থানলৈ যোগাযোগ সুচল কৰি তুলিব। লক্ষ্ণৌ-ছাহাৰণপুৰ বন্দে ভাৰতৰ ৰে'লে লক্ষ্ণৌ, সীতাপুৰ, ছাহজাহানপুৰ, বড়েলী, মুৰাদাবাদ, বিজনৌৰ আৰু ছাহাৰণপুৰৰ যাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰাৰ লগতে ৰুড়কী হৈ হৰিদ্বাৰলৈ যোগাযোগ সুচল কৰিব। একেদৰে ফিৰোজপুৰ-দিল্লী বন্দে ভাৰত ৰে'লে ৰাষ্ট্ৰীয় ৰাজধানী আৰু পাঞ্জাৱৰ কেইবাখনো মূল চহৰৰ মাজত যোগাযোগ সুদৃঢ় কৰিব। দক্ষিণ ভাৰতত এৰ্ণাকুলম-বেংগালুৰু বন্দে ভাৰত ৰে'লে মুখ্য তথ্য প্ৰযুক্তি আৰু বাণিজ্যিক কেন্দ্ৰসমূহলৈ শিক্ষাৰ্থী, পেচাদাৰী লোক তথা পৰ্যটকসকলৰ ভ্ৰমণৰ ক্ষেত্ৰত আৰামদায়ক যাত্ৰা নিশ্চিত কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ সৰ্বোচ্চ ন্যায়ালয়ত আইনী সহায় প্ৰদান ব্যৱস্থা সুদৃঢ়কৰণ সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। শ্ৰীমোদীয়ে এই সন্মিলনত ৰাষ্ট্ৰীয় বৈধ সেৱা প্ৰাধিকৰণে প্ৰস্তুত কৰা সামূহিক মধ্যস্থতা প্ৰশিক্ষণ ব্যৱস্থা মুকলি কৰাৰ লগতে সমাৱেশতো অংশ ল'ব। দুদিনীয়া এই সন্মিলনত আইনী সাহায্য প্ৰতিৰক্ষা পৰামৰ্শ ব্যৱস্থা, অৰ্ধ আইনী স্বেচ্ছাসেৱক, অধিবক্তাৰ দল, স্থায়ী লোক আদালত আৰু আইন সেৱা প্ৰতিষ্ঠানসমূহৰ আৰ্থিক ব্যৱস্থাপনা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প অহা বছৰলৈ ভাৰত ভ্ৰমণলৈ অহাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে ৰাষ্ট্ৰপতি ট্ৰাম্পক ভাৰত ভ্ৰমণৰ বাবে আহ্বান জনাইছে। যোৱা বৰ্ষত আমেৰিকাৰ উইলমিংটনত কোৱাড সন্মিলন অনুষ্ঠিত হোৱাৰ পাছতে ভাৰতে অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকাৰ নেতাসকলক লৈ এই সন্মিলনৰ আয়োজন কৰিব। অৱশ্যে ভাৰতে এতিয়াও এই সন্মিলনৰ সময়সূচী ঘোষণা কৰা নাই।

০০০০০

চট্টিশগড়ত নক্সালবাদ বিৰোধী অভিযানত বৃহৎ সাফল্য লাভ কৰা গৈছে। মাওবাদী কাৰ্যকলাপে সন্ত্ৰাসৰ সৃষ্টি কৰা এই খণ্ডত উল্লেখনীয় অগ্ৰগতি হিচাপে গড়িয়াবন্দ-ধামটাৰি-নোৱাপাৰা খণ্ডৰ এটা গুৰুত্বপূৰ্ণ মাওবাদী গোট উদান্তি এৰিয়া কমিটীৰ সকলো সক্ৰিয় সদস্যই আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে ৰায়পুৰত আৰক্ষী মহাপৰিদৰ্শক অম্ৰেশ মিশ্ৰাৰ ওচৰত ৭ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। ইয়াৰে শীৰ্ষ দুজন কমাণ্ডৰৰ শিৰৰ মূল্য ৮ লাখ টকাকৈ আছিল। আত্মসমৰ্পণকাৰী সকলৰ ভিতৰত গোটটোৰ দুজন এৰিয়া কমাণ্ডৰ সুনীল আৰু সচিব এৰেনাও আছে। তেওঁলোকে ২০১০ চনৰ পৰাই মাওবাদী কাৰ্যকলাপৰ সৈতে জড়িত হৈ আছিল।

০০০০০

দেশৰ আটাইতকৈ ব্যস্ত দিল্লী বিমানবন্দৰত কালি এয়াৰ ট্ৰেফিক নিয়ন্ত্ৰণ ব্যৱস্থাত হোৱা কাৰিকৰী বিসংগতিৰ বাবে ৮০০ খনতকৈও অধিক ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমানৰ উৰণত বিলম্ব হয়। পৰৱৰ্তী সময়ত দিল্লীৰ এই ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভাৰতীয় বিমান প্ৰাধিকৰণে এই বিসংগতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত কৰে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এ এম এছ্ এছ্ ব্যৱস্থাৰ বিসংগতিৰ বাবেই বিমান পৰিকল্পনা সম্পৰ্কীয় বাৰ্তাসমূহ সঠিকভাৱে প্ৰেৰণত পলম হৈছিল। এটা বিবৃতিত মন্ত্ৰালয়ে কয়, যে দিল্লী বিমানবন্দৰৰ পৰা বিমান উৰণ ব্যৱস্থা স্বাভাৱিক হ'ব। অৱশ্যে আন কেতবোৰ বিষয়ৰ বাবে এ এম এছ্ এছৰ স্বয়ংক্ৰিয় ব্যৱস্থাৰ কিছু পলম হ'ব পাৰে যদিও ই সোনকালে স্বাভাৱিক হোৱাটো নিশ্চিত বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে এই ব্যৱস্থাত হোৱা বিসংগতি কালি পোহৰলৈ আহে। এই সন্দৰ্ভত অসামৰিক বিমান পৰিবহণ সচিবে ভাৰতীয় বিমান পৰিবহণৰ অধ্যক্ষ আৰু অন্যান্য বিষয়াসকলৰ সৈতে তৎক্ষণাত পৰ্যালোচনা বৈঠকৰ আয়োজন কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যাৱতীয় নিৰ্দেশনা দিয়ে।

০০০০০

গোৱাৰ পানাজিত অহা ২০ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈ ৫৬ সংখ্যক ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। নতুন দিল্লীত কালি চলচ্চিত্ৰ মহোৎসৱৰ মুকলি অনুষ্ঠানৰ বিষয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্যপ্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানে কয় যে গোৱাত হ'বলগীয়া এই চলচ্চিত্ৰ মহোৎসৱে এই ক্ষেত্ৰৰ সৈতে জড়িত সমগ্ৰ বিশ্বৰ শিল্পীসকলক একত্ৰিত কৰিব। তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে কয় যে দেশৰ চলচ্চিত্ৰ জগতৰ যাত্ৰাক উদযাপন কৰাৰ বাবে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে ২০ নৱেম্বৰত এই মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব।

০০০০০

২০২৮ চনত লছ এঞ্জেলেছত হ'বলগীয়া অলিম্পিক গেমছত পুৰুষ আৰু মহিলাৰ টি-২০ ক্ৰিকেট খেল অন্তৰ্ভুক্ত হ'ব বুলি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চি এয়ে প্ৰকাশ কৰিছে। প্ৰতিটো শাখাতে ছটাকৈ দল থাকিব। এটা শতিকাৰো অধিক সময়ৰ পাছত ক্ৰীড়াৰ গোলকীয় সম্প্ৰসাৰণৰ দিশত ঐতিহাসিক মাইলৰ খুটি হিচাপে ২৮ খন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ১২৮ বছৰ পূৰ্বে ১৯০০ চনত পেৰিছত অনুষ্ঠিত অলিম্পিক গেছমত প্ৰথমবাৰৰ বাবে ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল য'ত গ্ৰেট ব্ৰিট্ৰেইনে ফ্ৰান্সক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰিছিল।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি ব্ৰীছবেনৰ গাববাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে কুইন্সলেণ্ডত অনুষ্ঠিত চতুৰ্থখন খেলত অষ্ট্ৰেলিয়াক ৪৮ ৰানত পৰাস্ত কৰি শৃংখলাটোত ২-১ৰ অগ্ৰগতি লাভ কৰে। সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বত ভাৰতীয় দলটোৱে শৃংখলাটো দখলৰ বাবে আজি আপ্ৰাণ চেষ্টা চলাব। ইপিনে ভাৰতৰ বেগী বলাৰ জছপ্ৰীত বুমৰাহক ইতিহাস ৰচনাৰ বাবে মাত্ৰ এটা উইকেটৰ প্ৰয়োজন। আজিৰ খেলখনত এটা উইকেট লাভ কৰিলেই বুমৰাহ টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ১০০টা উইকেট লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় হিচাপে বিবেচিত হ'ব।

০০০০০

সমাপ্ত